# ২০১০ পৰমাণু দুৰ্ঘটনাৰ অসামৰিক দায়বদ্ধতা আইন আৰু সংশ্লিষ্ট বিষয়ে সঘনে উত্থাপন প্ৰশ্ন আৰু ইয়াৰ উত্তৰসমুহ -

৮ ফেব্ৰুৱাৰী ২০১৫

**প্ৰশ্ন ১– প্ৰেচিডেন্ট ওবামাৰ ভাৰত ভ্ৰমণৰ সময়ত ২৫ জানুৱাৰী ২০১৫ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে কি কি বুজাপৰাত উপনীত হৈছিল ?**

**উত্তৰ–** অসামৰিক পৰমানু দায়বদ্ধতা সন্দৰ্ভত ভাৰত আৰু আমেৰিকাই এক বুজাপৰাত উপনীত হয় আৰু ২০০৮ চনৰ চেপ্তেম্বৰ মাহৰ ১২৩ দ্বিপাক্ষীক চুক্তিৰ কাৰ্য্যত ৰূপায়ন কৰাৰ বাবে প্ৰশাসনিক ব্যৱস্থাপনাৰ এখন চূড়ান্ত কৰা হয় ।ইয়াৰ ফলত ভাৰতে আৰ্ন্তজাতিক সহযোগিতাৰ পৰমাণু চুক্তি স্থাপনৰ বাণিজ্যিক ব্যৱস্থাৰ বাবে নিজৰ ভিতৰত আলোচনাৰ পথ আৰু ২০০৫–২০০৮ চনৰ অসামৰিক পৰমাণু চুক্তি খনত সন্নিবিষ্ট গুৰুত্বপূৰ্ণ আৰ্থিক আৰু প্ৰদুষণমুক্ত বিদ্যুত শক্তিৰ সম্ভাৱনা প্ৰাপ্তিৰ পথ সুচল কৰিব ।

**প্ৰশ্ন ২– কেনেকৈ এই চুক্তিত উপনীত হোৱাটো সম্ভৱ হল ?**

**উত্তৰ–** যদি স্মৰণ কৰো বিগত ২০১৪ চনৰ চেপ্তেম্বৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণৰ কালত দুয়োগৰাকী নেতাই ভাৰত–আমেৰিকা যুক্তৰাষ্ট্ৰ অসামৰিক পৰমাণু সহযোগিতা চুক্তি বাস্তৱত ৰূপায়ণ কৰাৰ বাবে দায়বদ্ধতা সম্বন্ধে পুণৰ দোহাৰিছিল আৰু অসামৰিক পৰমাণু বিদ্যুত শক্তি সহযোগিতাৰ পক্ষত আগবাঢ়ি যোৱাৰ বাবে এক কনট্যাক্ট গোষ্ঠী গঠন কৰে ।এই গোষ্ঠীত আমেৰিকা যুক্তৰাষ্ট্ৰ চৰকাৰৰ

প্ৰতিনিধি আৰু ভাৰতীয় পক্ষৰ এনপিচিএল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ পক্ষৰ পৰা ওৱাচিংটন হাউচ আৰু জেনেৰেল ইলেকট্ৰিক কোম্পানী সমূহৰো প্ৰতিনিধিবৰ্গৰে ভাৰতৰ বিদেশ মন্ত্ৰনালয়,পাৰমাণৱিক শক্তি বিভাগ,ভাৰতৰ পৰমাণু বিদ্যুত নিগম লিমিটিডৰ(এনপিচিএল),আৰ্থিক মন্ত্ৰনালয় আৰু আইন আৰু ন্যায় মন্ত্ৰনালয়ৰ প্ৰতিনিধি সকলক অৰ্ন্তভূক্ত কৰা হৈছে । এই গোষ্ঠীয়ে নতুন দিল্লীত(১৬-১৭ ডিচেম্বৰ ২০১৪),ভিয়েনাত(৬-৭ জানুৱাৰী ২০১৫)আৰু লন্ডনত(২১-২২ জানুৱাৰী ২০১৫) তিনিবাৰকৈ বৈঠকত মিলিত হয় ।এই আলোচনাতেই আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে অসামৰিক পৰামাণু সহযোগিতাৰ বিষয়ক দুটা বিষয় সম্বন্ধে এক চুক্তিত উপনীত হয় যিটো দুয়োগৰাকী ৰাষ্ট্ৰনেতাই ২৫ জানুৱাৰী ২০১৫ তাৰিখে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰে ।

**প্ৰশ্ন ৩- পৰমাণু দূৰ্ঘটনাৰ অসামৰিক দায়বদ্ধতা আইন ২০১০(চিএলএনডি আইন ২০১০) আৰু চিএলএনডি ৰোলচ ২০১১ সংশোধনৰ বাবে ভাৰত সন্মত হৈছে নেকি ?**

**উত্তৰ-** আইন অথবা ৰোলচ সংশোধন কৰাৰ কোনো প্ৰস্তাৱেই নাছিল ।

**প্ৰশ্ন ৪- চিএলএনডি আইনৰ কাৰনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ যি উদ্বেগৰ সমাধান কি ধৰনে হল ?**

**উত্তৰ-**কনট্যাক্ট গোষ্ঠীৰ আলোচনাৰ সময়ত ভাৰতীয় পক্ষই অতীতৰ যিবোৰ বিধি বিবাদ আৰু সংসদীয় ইতিহাস উল্লেখ কৰে পৰমাণু অসামৰিক দায়বদ্ধতা আইন (চিএলএনডি)আৰু পৰমাণু দূৰঘটনাৰ অতিৰিক্ত ক্ষতিপূৰণৰ চনদ অনুযায়ি(চিএচচি)সংগতীপূৰ্ণ হিচাপে আগবঢ়োৱা যুক্তি ৰ ভিত্তীতে পৰৱৰ্তী আলোচনাৰ বাবে এক সাধাৰন বুজাপৰা হয় যে ,ভাৰতৰ

চিএলএনডি আইন চিএচচিৰ সৈতে সংগতীপূৰ্ণ ।ভাৰত ইতিমধ্যেই চিএচচি স্বাক্ষৰ কৰিছে আৰু অতি ক্ষীপ্ৰেই অনুমোদনো কৰিব ।

**প্ৰশ্ন ৫–চিএচচি বুলিলে কি বুজোৱা যায় ?**

**উত্তৰ–** ১৯৯৭ চনৰ পৰমাণু দূৰ্ঘটনাৰ অতিৰিক্ত ক্ষতিপূৰনৰ চনদৰ মূল লক্ষ্য হৈছে বিশ্বব্যাপী এক দায়বদ্ধতাৰ প্ৰতিষ্ঠান গঢ়ি তোলা আৰু পৰমাণু দূৰ্ঘটনাত আক্ৰান্ত সকলৰ বাবে আগবঢ়োৱা ক্ষতিপূৰনৰ পৰিমান বৃদ্ধি কৰা ।যি বোৰ ৰাষ্ট্ৰ ১৯৬৩ চনৰ ভিয়েনা চনদ অথবা ১৯৬০ চনৰ পেৰিছ চনদৰ অংশীদ্বাৰ সেইবোৰ চিএচচিৰ সদস্য হব পাৰে ।যিবোৰ ৰাষ্ট্ৰ দুয়োটা চনদৰ ভিতৰত এটাৰো অংশীদ্বাৰ নহয়,সেইবোৰ ৰাষ্ট্ৰও চিএচচিৰ সদস্য হব পাৰে যদিহে সেইবোৰ ৰাষ্ট্ৰৰ পৰমাণু দূৰ্ঘটনা দায়বদ্ধতা আইন চিএচচিৰ আৰু তাৰ পৰিশিষ্টৰ,যিটো চিএচচিৰ অবিচ্ছেদ্য অংগ তাৰ সৈতে সঙ্গতিপূৰ্ণ হয় ।ভাৰত,ভিয়েনা বা পেৰিছ চনদৰ কোনোটোৰেই অংশীদ্বাৰ নহয় কিন্তু চিএলএনডি আইনৰ ভিত্তীতে ২০১০ চনৰ ২৯ অক্তোৱৰ মাহত চিএচচি স্বাক্ষৰ কৰিছিল ।

**প্ৰশ্ন ৬–ভাৰতৰ চিএলএনডি চিএচচিৰ সৈতে সংগতিপূৰ্ণ হয় নে ?**

**উত্তৰ–** দায়বদ্ধতা কঠোৰভাৱে আৰু নিশ্চিতভাৱে অপাৰেচৰৰ ওপৰত আইনীভাৱে হেচা দিয়া,সময়সীমা আৰু ক্ষতিপূৰণৰ সীমাবদ্ধতা,আৰ্থিক নিৰাপত্তা অথবা বীমাৰ দ্বাৰা সুৰক্ষিত,পৰমাণু কেন্দ্ৰৰ আৰু ক্ষতিৰ সংজ্ঞা অনুযায়ী চিএলএনডি আইন প্ৰায়ভাৱে চিএচচি আৰু তাৰ পৰিশিষ্টৰ সৈতে সংগতীপূৰ্ণ ইত্যাদী ।প্ৰকৃতভাৱে চিএলএনডি আইনে চিএচচিৰ মতে আৰ্ন্তজাতিক দায়বদ্ধতা প্ৰতিষ্ঠানত ভাৰতক যোগদানৰ সুযোগ দিছে । চিএচচিৰ অষ্টাদশ ধাৰা অনুযায়ী পৰমাণু চুক্তী কৰাৰ বাবে উদ্যোগী পক্ষ যদি ভিয়েনা বা সেই পেৰিছ চনদৰ অংশীদ্বাৰ নহয় তেতিয়া হলে সেই

দেশৰ জাতীয় আইন চনদৰ পৰিশিষ্টৰ সৈতে সংগতীপূৰ্ণ হব লাগিব ।চিএলএডি আইন চনদৰ সৈতে পৰিশিষ্টৰ সৈতে সংগতীপূৰ্ণ হয় ।

**প্ৰশ্ন ৭– চিএচচিত যিধৰনে বিধৃত আছে সেই অনুযায়ি পৰমাণু কেন্দ্ৰৰ দায়বদ্ধতা অপাৰেটৰক দিয়াৰ নিয়ম আছে নে ?**

**উত্তৰ–** ৪(১) আইনৰ ধাৰা অনুযায়ী পৰমানু কেন্দ্ৰত কোনো দূৰ্ঘটনা ঘটায় পৰমানু সংক্ৰান্ত ক্ষতি হলে দায়বদ্ধতা অপাৰেটৰৰ ওপৰত দিয়া হব ।এই আইনৰ ৪(৪) ধাৰা অনুযায়ী ক্ৰুটিহীন দায়বদ্ধতাৰ ভিত্তীতে পৰমানু কেন্দ্ৰৰ দায়বদ্ধতা অত্যন্ত কঠোৰ ভাৱে অপাৰেটৰৰ ওপৰত বৰ্তী থাকিব ।৮(১) ধাৰা অনুযায়ী কোনো পৰমানু কেন্দ্ৰ আৰম্ভ কৰাৰ পূৰ্বে অপাৰেটৰে দায়বদ্ধতা পালনৰ পৰিমান বীমাৰ মাধ্যমেৰে অথবা আৰ্থিক নিৰাপত্তা যি হব পাৰে তাক ঘোষণা কৰিব লাগে ।ক্ৰুটিহীন ব্যৱস্থাপনাৰ দায়বদ্ধতা অনুযায়ী আইনটোৰ দীৰ্ঘ শিৰোনামা সহ যাৱতীয় ধাৰা সুষ্পষ্টভাৱে প্ৰকাশ কৰিছে যে যাৱতীয় দায়বদ্ধতা কঠোৰভাৱে অপাৰেটৰৰ ওপৰত বৰ্তী থাকিব ।

**প্ৰশ্ন ৮– আইনৰ ১৭ ধাৰাৰ আৰু ১৭(খ) ধাৰা অনুযায়ী পৰমানু সামগ্ৰী সৰবৰাহকাৰীৰ ওপৰত দায়বদ্ধতা দিয়াৰ বিষয়সমুহ কি ?এইবোৰ কি চনদৰ পৰিশিষ্টৰ সীমাৰেখা অতিক্ৰম কৰিছে নে ?**

**উত্তৰ–**আইনৰ ১৭ ধাৰাত কোৱা হৈছে যে ৬ ধাৰা অনুযায়ী পৰমানু সংক্ৰান্তৰ ক্ষতিৰ বাবদ ক্ষতিপূৰণ দিয়াৰ পাছত পৰমানু কেন্দ্ৰৰ অপাৰেটৰৰ সৰবৰাহকাৰীৰ ওপৰত দায় দিব পাৰিব যদিহে,

ক. চুক্তিত লিখিতভাৱে সেই অধিকাৰ ষ্পষ্টভাৱে উল্লেখ থাকে

খ. যদি সৰবৰাহকাৰীৰ বা তাৰ কোনো কৰ্মীৰ কাৰ্য্যৰ কাৰনে পৰমানু কেন্দ্ৰত কোনো ঘটনা সংঘটিত হয় ,যাৰ মাজত যন্ত্ৰপাতীৰ অথবা উপাদানৰ প্ৰকাশ্য অথবা সুপ্তভাৱে ঘটা কোনো ক্ৰুটিৰ কাৰনে বা নিন্মমানৰ পৰিশেবা অৰ্ন্তভুক্ত হয়

গ. উদ্দেশ্যপ্ৰণোদিতভাৱে অথবা উদাসীনতাৰ কাৰনে কোনো পৰমানু দুৰ্ঘটনা সংঘটিতৰ বাবে কোনো ব্যক্তিৰ কাৰনে পৰমানু ঘটনা ঘটে চিএচচিৰ পৰিশিষ্টৰ দশম ধাৰাত বৰ্ণনা কৰা হৈছে ।এইক্ষেত্ৰত আইনৰ ১৭(খ) ধাৰাত যি পৰিস্থিতিৰ বিষয়ে উল্লেখ আছে সেইয়া অৱশ্যে চুক্তি অনুযায়ী সামগ্ৰী সৰবৰাহ কৰাৰ নিয়মাবলী আথবা স্বৰ্ত্বসমুহ অথবা পৰিশেবা কনট্ৰেকটৰ ভিত্তিতে উদ্ভূত পৰিস্থিতিৰ পদক্ষেপৰ বিষয় ।সাধাৰনতে এইবোৰ অপাৰেটৰ আৰু মধ্যস্থতাৰ চুক্তিৰ অৰ্ন্তগত । এই ধৰনৰ পৰিস্থিতিৰ কোনো বৈশিষ্টতা নাই বৰংচ যি কোনো চুক্তিৰেই ই সাধাৰন উপাদান । অৱশ্যে এই ধাৰাটো অপাৰেটৰৰ আৰু সামগ্ৰী সৰবৰাহকাৰীৰ দায়বদ্ধতাৰ চুক্তিৰ সংশ্লিষ্ট ধাৰাৰ প্ৰেক্ষাপটত আৰু সেই অনুয়াযী পঢ়িব লাগিব । প্ৰয়োগযোগ্য আইনৰ ভিত্তিত অপাৰেটৰ আৰু সৰবৰাহকাৰীৰ চুক্তিৰ স্বৰ্ত্বাৱালী নিজেই প্ৰস্তুত কৰিব পাৰিব ।কোনো চুক্তিৰ স্বাভাৱিক অংশ হিচাপেই এনে ধৰনৰ চুক্তিত গ্যাৰান্টি আৰু ক্ষতিপূৰণৰ ধাৰা অনুযায়ী উভয়পক্ষৰ দায়বদ্ধতাৰ শীৰ্ষসীমা কনট্ৰ্যাক্টৰ দুয়োপক্ষ বিস্তৃতিভাৱে উল্লেখ কৰা থাকে ।

চিএচচিৰ  পৰিশিষ্টৰ দশম(ক) ধাৰা মতে কোনোমতেই অপাৰেটৰ আৰু সৰবৰাহকাৰীৰ মাজৰ চুক্তিৰ বিষয়বস্তুৰ ওপৰত কোনো বাধানিষেধ আৰোপ কৰা হোৱা নাই আনকি অপাৰেটৰ আৰু সৰবৰাহকাৰীৰ একে কাৰ্য্যৰ পৰা দিবলগীয়া খিনিও আদায় কৰা হয় ।তাৰোপৰি,ওপৰত উল্লেখ কৰা বিষয়ৰ ভিত্তিতআইনৰ ১৭(খ) ধাৰাত সৰবৰাহকাৰী সম্পৰ্কে যি উল্লেখ আছে সেইয়া আকৌ চিএচচি পৰিশিষ্টৰ দশম(ক) ধাৰাৰৰ বিপৰীত

নহয় বৰংচ ইয়াৰ সৈতে সংগতীপূৰ্ণহে ।অপাৰেটৰ আৰু সৰবৰাহীৰ মাজত উপনাত হোৱা চুক্তিৰ স্বৰ্ত্ব অনুযায়িয়েই ইয়াৰ ৰূপায়ণ হব ।

**প্ৰশ্ন–৯. আইনৰ ধাৰা অনুযায়ী আদায় কৰা কেনে আইনত বাধ্যতামুলক ?**

**উত্তৰ–**ধাৰা ১৭ ত কোৱা হৈছে যে অপাৰেটৰৰ পাবলগীয়া থিনি আদায় কৰাৰ অধিকাৰ পাব । যদিও এই অধিকাৰ অপাৰেটৰৰ পক্ষত অতি গুৰুত্বপূৰ্ণ কিন্তু ই বাধ্যতামুলক নহয় ।পাবলগীয়া থিনি আদায় কৰাৰ সুবিধা কৰি দিয়াৰ মাত্ৰ ই এক ব্যৱস্থা ।এক কথাত কবলৈ এই ধাৰাই পাবলগীয়া থিনি আদায় কৰাৰ সুবিধা দিয়ে ।কিন্তু এই বিষয়ে অপাৰেচৰৰ চুক্তিত উল্লেখ কৰাৰ কোনো প্ৰয়োজন নাই বা আদায় কৰাৰ কাৰনে পদক্ষেপ গ্ৰহন কৰাৰ কোনো অধিকাৰ দিয়া নাই ।যদিও চিএলএনডি আইন অনুসৰি দিবলগীয় থিনি আদায়ে কোনো বাধ্যতামুলক আইনী ব্যৱস্থা গ্ৰহন কৰাৰ বিষয়ে চুক্তি খনত উল্লেখ নাই তেনে ক্ষেত্ৰত দিবলগীয়া দায় আদায় কৰাৰ অধিকাৰৰ লগতে ঝুকি অংশীদাৰি ব্যৱস্থাপনাৰ উল্লেখ কৰাৰ সম্পৰ্কে কোনো নীতিগত কাৰন থাকিব পাৰে ।নীতিগত কাৰনে ৰাষ্ট্ৰীয় সংস্থা এনপিচিআইএল পৰমানু সামগ্ৰী সৰবৰাহকাৰীৰ সৈতে উপনীত চুক্তিত ২০১১ চনৰ চিএলএনডআই ৰোল সমুহৰ ২৪ নম্বৰ ৰোলৰ সৈতে সংগতী ৰাখি দিবলগীয়া দায় আদায় কৰাৰ অধিকাৰৰ বিষয়ে গুৰুত্ব দিয়ে ।চিএচচিৰ পৰিশিষ্টৰ দশম ধাৰা নিশ্চিত কৰাৰ বাবে অপাৰেটৰৰ অথবা সৰবৰাহকাৰীৰ চুক্তি কৰাৰ সময়ত কোনো ধৰনৰ ভুমিকা পালন কৰা হব ।এই উদ্দেশ্যৰে এক ভাৰতীয় পৰমানু বীমা প্ৰস্তুত কৰা হৈছে যাৰ জৰিয়তে দিবলগীয়া দায় আদায় কৰাৰ অধিকাৰৰ বিষয়ে সহ অপাৰেটতৰৰ আৰু সৰবৰাহীৰ মাজত একআপোচ আলোচনা কৰাৰ ব্যৱস্থা ৰখা হৈছে ।পৰমানু ক্ষয় ক্ষতিৰ কালত তৃতীয় পশ্ক্ষকক্ষতিপুৰন দিয়াৰ বাবে এক

বজাৰ ভিত্তিক ব্যবস্থাপনাৰ মাজেৰে এই তহবিল প্ৰস্তুত কৰা হব ।ইয়াৰ ফলত সৰবৰাহকাৰীৰ বৰ্তী থকা আৰ্থিক দায় বিমাৰ দ্বাৰা সংৰক্ষনৰ সুবিধা পোৱা যাব ।

**প্ৰশ্ন–১০. ‘সৰবৰাহকাৰী’ কি ? সকলো সময়তে বিদেশী কোম্পেনীবোৰেই সৰবৰাহকাৰী হয় নেকি ?**

**উত্তৰ–** চিএলএনডি ৰোল সমুহৰ ২৪ নম্বৰ অনুযায়ি সৰবৰাহকাৰী বুলি কলে এইবুলি বুজা যায় যে ব্যক্তি ,

(১) কাৰ্য্যকৰী বৈশিষ্ট্য অনুসৰি কোনো ব্যবস্থাপনা নিৰ্মাণ ,প্ৰত্যক্ষভাবে অথবা কোনো এজেন্টৰ মাধ্যমেৰে কোনো চিচটেম,যন্ত্ৰ তথা যন্ত্ৰাংশ উতপাদন আৰু সৰবৰাহ কৰে,অথবা

(২) এটা চিচটেম উতপাদন,যন্ত্ৰ,যন্ত্ৰাংশ আৰু এটা কাঠাম নিৰ্মাণৰ বাবে কোনো ভেন্ডাৰক এক নক্সা মুদ্ৰণ আৰু বিস্তৃত নক্সা সৰবৰাহ কৰে আৰু অপাৰেটৰৰ ওচৰত সেই বিষয়ে গুণগত আৰু নক্সা সম্বন্ধে বাবে দায়বদ্ধতা থাকে ,অথবা

(৩) গুমাৱলী অক্ষুন্ন ৰখাৰ  প্ৰতিশ্ৰুতি আৰু নক্সাৰ সেৱাৰ প্ৰতিশ্ৰুতি দিয়ে ।

**প্ৰশ্ন–১১. আইনৰ ৪৬ ধাৰাই চিএলএনডি আইনৰ বাহিৰে অন্য কোনো আইনৰ অধীনত পৰমাণু ক্ষতি জনিত ক্ষতিপুৰণ আদায়ৰ ক্ষমতা আগবঢ়াই নেকি ?**

**উত্তৰ–** ৪৬ ধাৰাৰ অনুসৰি এতিয়া দেশি আৰু বিদেশি সৰবৰাহকাৰীৰ সকলৰ বাবে এক সম্ভাৱনাই উদ্বেগ প্ৰকাশ কৰিছিল । চিএলএনডি আইনৰ ৪৬ ধাৰাত উল্লেখ কৰা হৈছে যে,”বৰ্তমান সময়ত প্ৰযোজ্য থকা কোনো

আইনৰেই অধিকাৰ খৰ্ব কৰা নহব ।বৰং চ এই আইনৰ ধাৰা অতিৰিক্ত সংযোজন হিচাবেই ইয়াত কোনো উল্লেখ নাই যাৰ দ্বাৰা অপাৰেটৰৰ বাবে কোনো আইনী ব্যবস্থা নিয়াৰ বাবে মুক্ত কৰিছে যদি অপাৰেটৰৰ বিৰুদ্ধে এনে কোনো ব্যবস্তা গ্ৰহন কৰা হয় ।" ২০১০ চনৰ চিএলএনডি আইনৰ ভাষা অন্য যি ধৰনে অন্যান্য আইনত উল্লেখিত ভাষাও অনেক ।যি ধৰনে টেলিকম ৰেগুলেটৰি অথোৰিটি আইন,বিদ্যুত আইন ,ভাৰতৰ চিকিউৰিটি আৰু এক্সচেঞ্জ বোৰ্ড আইন(চেবি),বিমা কমিচন আইন ।এই ধৰনৰ ভাষা ৰুটিনভাৱে ব্যৱহাৰ কৰা হয়,যাতে সংশ্লিষ্ট ক্ষেত্ৰত আইনটো প্ৰযোজ্য হয় ।

**প্ৰশ্ন–১২. চিএচচি বঙ্গ কৰিহে সৰবৰাহকাৰী সকলৰ ওপৰত ৪৬ ধাৰা প্ৰযোজ্য কৰা হৈছে নেকি ?**

**উত্তৰ–** নহয় ।চিএলএনডি আইন অনুসৰি সকলো পৰমানু ক্ষতিৰ আইনী দায়বদ্ধতা কেৱল মাত্ৰ অপাৰেটৰ সকলৰ ওপৰতে বৰ্তী থকাৰ ব্যবস্থা আছে ।অন্য কোনো আইনৰ ক্ষমতাৰ বলত পৰমানু সম্পৰ্কে ক্ষতিপূৰণ আদায় কৰাৰ দাবী প্ৰস্তাৱ কৰাৰ কোনো অধিকাৰ ৪৬ ধাৰাত উল্লেখ নাই । এই কাৰনে এই ধাৰাটো একমাত্ৰ অপাৰেটৰ সকলৰ  ক্ষেত্ৰতেই প্ৰযোজ্য হয় আৰু সৰবৰাহকাৰী সকলৰ ক্ষেত্ৰত সম্প্ৰসাৰিত নহয় ।এইটো সংসদত আইনখন গৃহিত হোৱাৰ সময়ত বিৰ্তক স্পষ্ট হৈ পৰিছিল ।উল্লেখযোগ্য যে ৰাজ্যসভাত বিধেয়ক খন ভোটদানৰ জৰিয়তে গৃহিত হৈছিল ।ৰাজ্যসভাত বিধেয়ক খনৰ বিভিন্ন ধাৰা অনুযায়ি সংসদত অনুষ্ঠিত ভোটৰ সময়ত চিএলএনডি আইনৰ ৪৬ ধাৰাৰ বিষয়ে দুটা সংশোধনী অনা হৈছিল যাতে সৰবৰাহকাৰীক এই আইনৰ অৰ্ন্তভূক্তি কৰা যায় ।তাৰ পাছৰ পৰাই আইনত এই ধাৰাটি থাকি গৈছিল । দুয়োটা সংশোধনী খাৰিজ হয় ।আইনৰ পৰা এবাৰ যি অংশ বাতিল হৈ গৈছে সেইটো পুনৰ বাখ্যাৰ জৰিয়তে নতুনকৈ পাঠ কৰা নাযায় ।প্ৰত্যেক আইনৰ ক্ষেত্ৰত এটা অত্যন্ত প্ৰতিষ্ঠিত

নীতি হৈছে সংসদৰ উদ্দেশ্য অনুযায়ি আৰু আইন প্ৰনেতা সকলে যি ধৰনে আইনৰ ব্যাখ্যা কৰে সেই ভাবেই ব্যাখ্যা কৰা উচিত ।

**প্ৰশ্ন–১৩. আইনৰ ৪৬ ধাৰা আক্ৰান্ত হোৱা সকলৰ অপাৰেটৰৰ অথবা সৰবৰাহকাৰীৰ বিৰুদ্ধে বিদেশৰ আদালতত আপীল কৰাৰ অধিকাৰ দিয়ে নেকি ?**

**উত্তৰ–** আইনৰ ৪৬ ধাৰাত একমাত্ৰ অপাৰেটৰৰ পৰা যাবতীয় প্ৰতিকাৰ গ্ৰহন কৰাৰ সুযোগ অৰ্ন্তভূক্ত কৰা আছে ।এই আইনে সকলো অপাৰেটৰৰ বিৰুদ্ধে ৰজু হোৱা আন কোনো গোচৰৰ পৰা অব্যাহত নিদিয়ে অথবা এই আইন ভাৰতত প্ৰয্যোজ্য হোৱা আন কোনো আইনৰ অৰ্ন্তগততও ৰেহাই দিয়া নহয় । “ইয়াৰ অতিৰিক্ত আৰু ৰেহাই দিয়া” বাক্যটি তাৰ আক্ষৰিক অৰ্থই ব্যবহাৰ হব ।৪৬ ধাৰা কোনো ভাবাই অন্য কোনো আইনৰ প্ৰয়োগক প্ৰভাবিত নকৰে ।তাৰফলত পৰমানু ক্ষতিৰ ফলত হোৱা হানিৰ ক্ষতিপুৰন আদায় দিয়াৰ দায়বদ্ধতাৰ ক্ষেত্ৰত অপাৰেটৰক আন কোনো আইন প্ৰয়োগ কৰাৰ পৰাও ৰেহাই দিয়া নাই । একেধৰনে কোনো ৰূপতেই ক্ষতিগ্ৰস্ত সকলৰ বাবে বিদেশৰ আদালতত দাৰস্থ হোৱাৰ কোনো ভিত্তি গঠন কৰা হোৱা নাই । বাস্তবিকতে এনে ক্ষেত্ৰত পৰমানু ক্ষতিৰ বাবে ক্ষতিগ্ৰস্ত সকলক ক্ষতিপূৰন আদায় দিয়াৰ দেশীয় আইনৰ মৌলিক ভিত্তিৰ বিৰোধীতা কৰে ।ঘটনা হল, চিএলএনডি আইন সংসদত গৃহিত হোৱাৰ সময়ত এই বিষয়ৰ সম্পৰ্কে এটা আইনৰ বিশেষ সংশোধনী নাকচ হোৱাৰ পৰাই সেই বিৰোধীতা প্ৰমানিত হৈছে ।

**প্ৰশ্ন–১৪.প্ৰস্তাবিত বীমা তহবিল অপাৰেটৰ সকলৰ আৰু সৰহবৰাহকাৰী সকলৰ কাৰনে কি ধৰনে উপযোগী হব ?**

**উত্তৰ–**ভাৰতীয় পৰমানু বীমা তহবিল জিআইচি আৰই আৰু ফোৰ(৪)ই আৰু আন পিএচইউ সমুহে যিবোৰে একত্রিতভাৱে হস্তান্তৰ তহবিল ব্যৱস্থাপনা যাৰ ১৫০০ কোটী টকাৰ ভিতৰত ৭৫০ কোটী টকাৰ বিনিয়োগ আগবঢ়াব । বকেয়া অংশ কেন্দ্রীয় চৰকাৰে লাহে লাহে বিনিয়োগ কৰিব । চিএলএনডি আইনৰ ৬(২) ধাৰা অনুযায়ি আৰু পৰমানু কেন্দ্রৰ অপাৰেটৰ সকলৰ আৰু ১৭ ধাৰা অনুযায়ী সৰবৰাহকাৰী সকলৰ দায়বদ্ধতাৰ এক একত্রিত তহবিল অর্ন্তভূক্ত হব ।এই তহবিলত অর্ন্তভূক্ত তিনিটা নীতি ।টাঁন কি সৰবৰাহকাৰীৰ বাবে এক বিশেষ ধৰনৰ সৰবৰাহীৰ কাৰনে এক বিশেষ ব্যৱস্থা গ্রহন কৰাৰ পদ্ধতি সেই নীতিৰ অর্ন্তভূক্ত কৰা হৈছে ।এই উদ্দেশ্যে অপাৰেটৰ আৰু সৰবৰাহকাৰী সকলৰ মাজত পৰস্পৰে পৰস্পৰৰ ওপৰত অভিযোগ অনাৰ পৰিবর্তে উক্ত ব্যৱস্থাপনাৰে যুটীয়া ভাৱে কাম কৰিব ।এই ব্যৱস্থা যিমানেই ভাৰতীয় সৰবৰাহকাৰী সকলৰ বাবে গুৰুত্বপূর্ণ সিমানেই আমেৰিকা যুক্তৰাষ্ট্র আৰু অন্যান্য যিকোনো সৰবৰাহকাৰী সকলৰ পক্ষে গুৰুত্বপূর্ণ । ফ্রান্স,ৰাছীয়া ,দক্ষিণ আফ্রিকা আৰু আমেৰিকা যুক্তৰাষ্ট্র সহ বিশ্বৰ ২৬ খন দেশে কার্য্যকৰী এই ধৰনৰ তহবিলৰ অভিজ্ঞতা বিনিময়ৰ কাৰণে এটা আর্ন্তজাতিক ৱর্কচপ ভাৰতত আয়োজন কৰা হৈছে ।

**প্রশ্ন–১৫. এই বীমা বিলৰ অধীনত বীমা নীতি আৰু প্রিমিয়াম কি ধৰনৰ হব ?**

**উত্তৰ–** এই বীমা পুলৰ অধীনত চিএলএনডি আইনৰ ৬(২) ধাৰা অনুযায়ী পৰমানু অপাৰেটৰ সকলৰ আৰু সৰবৰাহকাৰী সকলৰ দায়বদ্ধতাৰ কাৰনে প্রযোজ্য ১৭ ধাৰা অনুযায়ী অর্ন্তভূক্ত ।তিনিধৰনৰ বীমা নীতিৰ অর্ন্তভূক্ত – টায়াৰ এক নীতি অপাৰেটৰ সকলৰ কাৰনে,টায়াৰ দ্বিতীয় নীতি টাঁন কি সৰবৰাহীসকলৰ কাৰনে আৰু টায়াৰ তিনি টাঁন কি সৰবৰাহকাৰী বাহিৰে আন সকলৰ বাবে প্রযোজ্য ।প্রিমিয়ামৰ মুল্য নির্ভৰ কৰিব আশংকাৰ

সম্ভাৱনা,সম্ভাব্য ক্ষতিৰ পৰিমান ,জনসাধাৰনৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰাৰ আশংকা আৰু স্থাপন কৰা  পৰমানু সংস্থাৰ সম্পত্তিৰ  চাৰিওদিশৰ ওপৰত প্ৰমিয়ামৰ মুল্য নিৰ্দ্ধাৰন কৰিব ।আশংকাৰ মুল্যায়ন কৰে জিআইচি আৰ ই,বীমা প্ৰশাসক আৰু অন্যান্য এনপিচিআইএলৰ সৈতে প্ৰমিয়ামৰ মুল্য নিৰ্দ্ধাৰন কৰিছে ।এই প্ৰক্ৰিয়াৰ সাহাৰ্য্য কৰাৰ কাৰনে পাৰমানৱিক শক্তি বিভাগ নিৰাপত্তাৰ ক্ষেত্ৰত বিঘিনি হোৱাৰ সম্ভাৱনা সম্বন্ধে সমীক্ষা কৰিছে ।এই পৰিকল্পনা অত্যন্ত বৈজ্ঞানিক,বজাৰ ভিত্তিক আৰু ভাৰতীয় অৱস্থা অনুযায়ী আৰ্ন্তজাতিক সৰ্ব্বোতকৃষ্ট মানদণ্ডৰ উপযোগী ।

**প্ৰশ্ন– ১৬. এই বয়ৱস্থাৰ বাবে কৰ দাতাৰ ওপৰত বোজা বৃদ্ধি পাব নেকি আৰু পৰমানু বিদ্যুতৰ ব্যয় বৃদ্ধি পাব নেকি ?**

**উত্তৰ -**এইটো বোজা উচিত হব যে কৰদাতা সকলৰ বা চৰকাৰৰ ওপৰত কোনো বৰ্ধিত বোজা নপৰিব । চিএলএনডি আইন অনুযায়ী এনপিচিএলৰ(অপাৰেটৰ)পৰমানু ক্ষতিৰ কাৰনে এক আৰ্থক নিৰাপত্তা বজাই ৰাখিব যাতে পৰমানু জনিত ক্ষতিৰ অতি সৰ্বাধিক(১৫০০)কোটী) দায়বদ্ধতা বজায় ৰাখে ।বৰ্তমান ইয়াৰ কাৰনে এনপিচিএলে এক বেংক গ্যাৰেন্টি গ্ৰহন কৰিছে যাৰ কাৰনে একবাৰ্ষিক ফিজ দি থাকে । ভাৰতীয় পৰমানু বীমা পুলৰ অধীনত এনপিচিএল সমপৰিমাণ বীমা আয়োজন কৰিব যি পৰিমানে তেওঁলোকে পুলৰ কাৰনে বাৰ্ষিক প্ৰিমিয়াম আদায় দিয়াৰ বাবে বাৰ্ষিক দায়িত্ব বহন কৰে ।কেন্দ্ৰীয় চৰকাৰে প্ৰথম কেইবা বছৰত ৭৫০ কোটী টকা বীমা পুলৰ কাৰনে বহন কৰিব যিমান দিন বীমা কোম্পানী সমুহে নিজৰ এই অৰ্থ নিজে পৰিচালনা কৰিব পাৰিব ।অৱ্যশে কেন্দ্ৰীয় চৰকাৰে সৰ্ব্বমুঠ তহবিলৰ পৰা  এক অনুপাতৰ হাৰৰ প্ৰমিয়ামৰ অংশ উৰ্পাজন কৰিব যিটো চৰকাৰে কোনো পৰমানু দূৰ্ঘটনা সংঘটিত হলে ব্যয় কৰিব পাৰিব ।অপাৰেটৰ আৰু সৰবৰাহকাৰীৰ প্ৰমিয়ামৰ বাবদ যি অৰ্থ

ব্যয় কৰিব তাৰ পৰা বিদ্যুত কেন্দ্ৰৰ ব্যয়ৰ ওপৰত নুন্যতম প্ৰভাৱ পেলাব । আৰ্ন্তজাতিক ২৬ টা বীমা পুলৰ অভিজ্ঞতাৰ পৰা স্পষ্ট হৈছে যে অপাৰেটৰক বিদ্যুত কেন্দ্ৰৰ সৰ্ব্বমুঠ ব্যয়ৰ এক ভগ্নাংশ ব্যয় কৰিব লাগিব ।

**প্ৰশ্ন– ১৭. চিএলেনডি আইন অনুযায়ী কিমান ক্ষতিপুৰন আদায় দিব লাগিব ?**

**উত্তৰ -** চিএলএনডি আইনৰ ৬(১) বৰ্তমান ধাৰা আনুযায়ী পৰমানু দুৰ্ঘটনা জনিত ঘটনাৰ কাৰনে সৰ্ব্বাধিক দায়বদ্ধতাৰ পৰিমাণ তিনিশ মিলিয়ন স্পেশিয়েল ড্ৰইং ৰাইটসমুহৰ সমপৰিমাণ ৰূপী ।এক এচডিআৰৰ মুল্য ৮৭ ।তিনশত মিলিয়ন এচডিআৰৰ অৰ্থ ২৬১০ কোটী টকা । আইনৰ ৬(২) ধাৰা অনুযায়ী অপাৰেটৰৰ সৰ্ব্বোচ্চ দায়বদ্ধতা ১৫০০ কোটী টকা ।চিএলনডি আইনৰ ৭(১) ধাৰা অনুযায়ী যদি দায়বদ্ধতা ১৫০০ কোটী টকা অতিৰিক্ত হয় তেন্তে কেন্দ্ৰীয় চৰকাৰে ১১০০ কোটী টকাৰ পাৰ্থক্য পূৰণ কৰিব ।২৬১০ কোটী টকাৰ অতিৰিক্ত ক্ষতি হলে ভাৰত চিএচচিৰ অধীনত অতিৰিক্ত অৰ্থৰ সুযোগ পাব যদি চিএচচি চনদৰ অংশীদ্বাৰ হয় ।

চিএলএনডি আইনৰ ৭(২) ধাৰা অনুযায়ী অপাৰেটৰৰ ওপৰত এটা লেভী ধাৰ্য কৰি এক ‘পৰমানু দায়বদ্ধতা তহবিল’ প্ৰস্তুত কৰিব পাৰে ,যিটো আইন অনুযায়ী কৰিব পৰা যাব ।বৰ্তমানৰ চলিত বিদ্যুত কেন্দ্ৰ আৰু ভৱিষ্যতৰ কেন্দ্ৰৰ ওপৰত অপাৰেটৰ সকলৰ ওপৰত এক সুদ্ৰ চাৰ্জ কৰি দশ বছৰ ধৰি এটা তহবিলপ্ৰস্তুত কৰিব পৰা যাব পাৰে । এইটো কোনো ধৰনেই ক্ৰেতা সকলৰ স্বাৰ্থ ক্ষুন্ন নকৰিব ।

**প্ৰশ্ন–১৮. বৰ্তমান যিখন চুক্তি আছে সেই অনুসৰি ভৱিষ্যতে অপাৰেটৰ আৰু সৰবৰাহকাৰী সকলক বৰ্ধিত ক্ষতিপূৰণ দিয়াৰ বাবে নিৰ্দেশ দিব পাৰে নেকি ?**

**উত্তৰ–** ভবিষ্যতে আইন অনুযায়ী বৰ্ধিত ক্ষতিপুৰণ দিয়াৰ বিষয়ে আৰু সৰবৰাহকাৰীৰ ওপৰত তাৰ প্ৰতিক্ৰিয়া সম্পৰ্কে বৰ্তমানৰ চুক্তিৰ ভিত্তিত আইনৰ পৰিধিত পৰিবৰ্তনৰ কোনো সুবিধা নাই ।এই প্ৰতিৰ্ষ্ঠিত বিচাৰ । আইনৰ চকুত কোনো পক্ষৰ চুক্তিৰ দ্বাৰা পোৱা অধিকাৰ কোনোমতেই পিছুৱাই যোৱাৰ অনুমতি নিদিয়ে ।মেচাৰ্চ পূৰ্বাঞ্চল কেৱলচ আৰু কন্ডাক্টৰচ প্ৰাইভেট লিমিটেড বনাম অসম বিদ্যুত পৰিষদ আৰু অন্যান্যৰ(২০১২) ৬ এচচিআৰ ৯০৫ চুপ্ৰীম কোৰ্টৰ ৰায় দিয়ে,সংসদ যদিও পুৰনি সময়কালৰ পৰা প্ৰযোজ্য আইন প্ৰণয়ন কৰিব পাৰে,তথাপি বৰ্তমান প্ৰযোজ্য হৈ থকা কোনো দায়বদ্ধতাৰ পৰিবৰ্তন বা সংশোধন বা অধিকৃত অধিকাৰৰ ওপৰত কোনো নতুন বোজা দিয়াৰ অধিকাৰ নাই ।

**প্ৰশ্ন–১৯. পৰবৰ্তী পদক্ষেপ কি হব ?**

**উত্তৰ–** এতিয়া সংশ্লিষ্ট কোম্পানীসমূহৰ নিজৰ মাজত দাম প্ৰস্তুত কৰিব আৰু আমাৰ আইন আৰু ব্যৱস্থা অনুসৰি লাভজনক এক কাৰী কৰী– বাণিজ্যিক প্ৰস্তাব দিব আৰু চুক্তি চূড়ান্ত কৰিব পাৰে যাতে আৰ্ন্তজাতিক পৰমানু সহযোগিতা প্ৰস্তুত কৰাৰ জৰিয়তে বিদ্যুত নিৰাপত্তা আৰু প্ৰদূৰ্ষণ বৰ্জিত বিদ্যুতৰ লক্ষ্য শক্তিশালী কৰি তোলে ।

নতুন দিল্লী

৮ ফেব্ৰুৱাৰী